জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০২/২০২২**

নলবাৰী জিলাৰ বৰ আজৰাৰ চান্দকুছিত বাসন্তী মন্দিৰ সাংস্কৃতিক প্ৰকল্পৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# মাটিৰ লগত সম্পৰ্ক নাথাকিলে কোনো জাতি জীয়াই থাকিব নোৱাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ এপ্ৰিল ঃ** শ্ৰীশ্ৰীবাসন্তী পূজাৰ মহাষষ্ঠী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাৰ বৰ আজাৰাৰ চান্দকুছিস্থিত শ্ৰীশ্ৰী বাসন্তী মন্দিৰত উপস্থিত হৈ ৮৫ তম্ শ্ৰীশ্ৰী বাসন্তী পূজাত অংশ লয় তথা দেৱীৰ শ্ৰীচৰণত ৰাজ্যবাসীৰ কুশল-মঙ্গলৰ বাবে প্ৰাৰ্থনা জনায়। মুখ্যমন্ত্ৰীয়ে লগতে শ্ৰীশ্ৰীবাসন্তী মন্দিৰ সাংস্কৃতিক প্ৰকল্প আৰু ৰঙ্গমঞ্চৰো শুভ উদ্বোধন কৰে।

সাংস্কৃতিক প্ৰকল্প উদ্বোধন উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভক্ত আৰু দেৱীৰ মাজত থকা সম্পৰ্কই আধ্যাত্মিক চেতনা অধিক শক্তিশালী কৰে। শক্তিশালী আধ্যাত্মিক চেতনাই সমাজৰ হিতৰ হকে কাম কৰিবলৈ প্ৰেৰণা যোগায়। এই মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাল কাম কৰাৰ বাবে সকলোৰে উদ্যোগ ল'ব লাগে। মুখ্যমন্ত্ৰীয়ে কয় যে নিজৰ জন্ম গাঁওখনৰ উন্নয়নত সকলোৰে মনোনিৱেশ কৰিলেহে ৰাজ্যখনৰ প্ৰগতিৰ গতি ত্বৰান্বিত হ'ব। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সনাতন সভ্যতা আৰু সংস্কৃতিয়ে সদায়ে উদাৰ চিন্তা-চৰ্চাৰ জ্ঞান দিয়াৰ লগতে সামাজিক সমৃদ্ধিৰ হকে উৎসৰ্গীত হ'বলৈ আমাক শিক্ষা দিয়ে। সনাতন সভ্যতাৰ সম্পৰ্কত নতুন প্ৰজন্মই জ্ঞান অৰ্জন কৰিলে কেৱল আধ্যাত্মিকভাৱেই নহয়, প্ৰমূল্যবোধৰ ভিত্তিত এখন সুস্থ সমাজ নিৰ্মাণ কৰাৰ বাবে শক্তিশালী পৰিৱেশৰ সূচনা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে মাটিৰ লগত সম্পৰ্ক নাথাকিলে কোনো জাতিয়ে জীয়াই থাকিব নোৱাৰে। কৰ্ম সংস্কৃতি অবিহনে কোনো জাতিয়ে মেৰুদণ্ড পোনাই থিয় হ'ব নোৱাৰে। তেওঁ কয় যে ধৰ্ম আৰু কৰ্ম সমভাৱে আগবাঢ়িলেহে আমাৰ সভ্যতা-সংস্কৃতি অধিক গতিশীল হ'ব। এই মন্তব্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্য চৰকাৰে কৃষি কৰ্মক উৎসাহিত কৰাৰ বাবে কৃষকৰ পৰা পোনপটীয়াকৈ ধান ক্ৰয়ৰ বাবে পদক্ষেপ লৈছে যাতে কৃষি কৰ্মৰ জৰিয়তে কৃষকসকল আত্মনিৰ্ভৰশীল হ'ব পাৰে। মুখ্যমন্ত্ৰীয়ে নতুন প্ৰজন্মক কৃষি কৰ্মত আত্মনিয়োগ কৰি আত্মনিৰ্ভৰশীল অসমৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশতো বিশেষ ভূমিকা ল'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত উৎপাদিত ধান ক্ৰয়ৰ বাবে বিশেষ উদ্যোগ ল'বলৈ ভাৰতীয় খাদ্য নিগমক নিৰ্দেশ দিছে আৰু খেতিয়কসকলে ধান বিক্ৰীৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ সমস্যাৰ সন্মুখীন নহয় তাৰ বাবে ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ লৈছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ চান্দকুছিস্থিত বাসগৃহত আয়োজন কৰা বাসন্তী পূজাতো অংশ লৈ ৰাজ্যবাসীৰ সুখ-সমৃদ্ধি আৰু সুস্বাস্থ্যৰ বাবে সেৱা আগবঢ়ায়।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, বিধায়ক তথা অসম প্ৰদেশ বিজেপিৰ সভাপতি ভৱেশ কলিতা, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল

বৰুৱা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম প্ৰদেশ বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ সংঘচালক ডাঃ উমেশ চন্দ্ৰ চক্ৰৱৰ্তী প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**পুঃডেঃ**
**৭-০৪-২০২২**